প্ৰাৰম্ভিক পৰিৱেশ সম্বন্ধীয় পৰীক্ষন

তথ্যৰ পৰ্য্যয়ঃ সংশোধিত

প্ৰকল্প নম্বৰঃ ৪২২৬৫-০২৩

এপ্ৰিল ২০১৫

IND: অসম পৌৰ আন্তঃগাথনি বিনিয়োগ

কৰ্ম আঁচনি- প্ৰকল্প ১: গুৱাহাটী মহানগৰীৰ পানী যোগান উপ প্ৰকল্প

গুৱহাটী মহানগৰীৰ বাবে কৃত্ৰিম জলাশয় তথা জল সঞ্চাৰন পাইপলাইনৰ সন্মিলিত নিৰ্মানকাৰ্য্য।

প্ৰস্ততঃ গুৱাহাটী উন্নয়ন বিভাগ অৰু পৌৰ উন্নয়ন বিভাগ, অসম চৰকাৰ এচিয়ান উন্নয়ন বেংকৰ জ্ঞাতাৰ্থে

# সংক্ষিপ্ত কাৰ্য্যকৰী বিৱৰণ

১) অসম চৰকাৰৰ অধীনত অসম পৌৰ আন্তঃগাথনি বিনিয়োগ কৰ্ম আঁচনি পৌৰ আন্তঃগাথানিৰ চাবি কাথী স্বৰূপ আৰু উন্নত মানৰ পানী যোগান আচঁনি, অনাময় ব্যৱস্থা, বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা, নৰ্দমাৰ আন্তঃগাথনিৰ লগতে অনুকুল পৌৰ পৰিবহন ব্যৱস্থা আদিৰ উন্নতিকৰনেই হ'ল ইয়াৰ মূল উদ্দেশ্য । উক্ত কৰ্মঅঁচনি খনৰ বাবে ব্যৱহাৰ কৰা হৈছে multi financing facility অৰ্হি যাক অহা ৫ বছৰ ২০১২ৰ পৰা ২০১৭ৰ বাস্তাৱায়িত কৰা হ'ব । এই ব্যবস্থাৰ অধীনত গুৱাহাটী মহানগৰীৰ পানী যোগান আঁচনি পয়ঃপ্ৰনালী, পৰিবহন ব্যৱস্থা তথা ডিব্ৰুগড় মহানগৰীৰ জলনিস্কাশন ব্যৱস্থা, বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা আৰু অন্যান্য প্ৰয়োজনীয় সেৱা সমূহ চিনাক্তকৰন কৰা হৈছে ।

২) এই কৰ্ম আঁচনি খনৰ প্ৰধান লক্ষ্য সমূহ হ'ল – ক) গুৰহাটী মহানগৰীৰ পানী যোগান ব্যৱস্থা, অনাময় ব্যৱস্থা আৰু খ) ডিব্ৰুগড় মহানগৰীৰ বাবে বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা তথা জলনিস্কাশন ব্যৱস্থা।

৩) অসম চৰকাৰৰ অধীনস্থ গুৱাহাটী উন্নয়ন বিভাগে উক্ত কৰ্মআঁচনিৰ কাৰ্য্যনিৰ্বাহক অনুস্থান । ৰাজ্যিক পৰ্য্যায়ৰ এগৰাকী পূৰ্ণকালীন প্ৰকল্প নিৰ্দেশক তথা pmu ৰ সহযোগত গঠিত কাৰ্য্যনিৰ্বাহক অনুস্থানটোৱে উক্ত কৰ্ম আঁচনিৰ কাৰ্যকৰীকৰন কাৰিকৰী তত্বাৱধান পৰিদৰ্শন তথা বিত্তীয় ব্যৱস্থাৰ দায়িত্ব গ্ৰহন কৰিব । গুৱাহাটী অৰু ডিব্ৰুগড় মহানগৰীৰ উন্নয়নৰ বাবে লোৱা এই কৰ্ম আঁচনিখনৰ বাবে নিয়োজিত প্ৰকল্প পৰিচালনা গোট সমূহ এজন কাৰিকৰী তথা অভিজ্ঞ্য বিষয়াৰ সহযোগত পৰিচালিত হ'ব।

৪) উক্ত প্ৰকল্পৰ অৰ্ন্তভূক্ত উপপ্ৰকল্প সমূহৰ ফলত উদ্ভৱ হ'ব পৰা নেতিবাচক পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱৰ পৰা ৰক্ষনাবেক্ষনৰ সম্পূৰ্ণ দায়িত্ব হ'ব pmu ৰ। piu ৰ বাবে এগৰাকী পাৰিপাৰ্শ্বিক বিষয়া আৰু পূৰ্ণবন্দবস্ত বিষয়া নিয়োজিত হ'ব যাৰ দায়িত্ব হ'ব পাৰিপাৰ্শ্বিক নিৰীক্ষণৰ, পাৰিপাৰ্শ্বিক ব্যবস্থাপনা তথা পূৰ্ণবন্দোবস্ত আঁচনিৰ কাৰ্যকৰীকৰণ কৰা। নিৰ্মানকাৰ্য্যৰ সময়ছোৱাত PIUৰ দ্বাৰা সম্পাদিত উপপ্ৰকল্পৰ প্ৰাৰম্ভিক পাৰিপাৰ্শ্বিক পৰীক্ষন সমূহ বিশদভাৱে তদাৰক তথা পৰিচালনা কৰিবলৈ এজনকৈ অভিজ্ঞ্য পৰিৱেশ বিশেষজ্ঞ ৰূপাংকন আৰু তদাৰকী পৰামৰ্শদাতাক দলৰ অংশীদাৰ হিচাবে নিয়োজিত কৰা হয়।

৫) প্ৰস্তাবিত প্ৰকল্পটোৰ বাবে কৰা বিনিয়োগৰ প্ৰধান উদ্দেশ্য হ'ল ২০৩০ চনৰ ভিতৰত গুৱাহটী মহানগৰীৰ দক্ষিন-পূৱ অঞ্চলৰ প্ৰায় ৫১০০০০ বাসিন্দাৰ বাবে ২৪ ঘন্টা ধৰি বিশুদ্ধ পানীৰ যোগান ব্যৱস্থা কৰা। ইয়াৰ বাবে লবলগীয়া পদক্ষেপ সমূহ হ'ল-

ক) প্ৰতিদিনে ৯৮ মিলিয়ন লিটাৰ পানীৰ উৎপাদন কৰা।

খ) উৎপাদিত পানীৰ গুণগত মানৰ পাৰীক্ষা-নিৰীক্ষা কৰা।

গ) পনী সঞ্চাৰণৰ বাবে ১০০% নতুন পাইপলাইন বহুওৱা।

ঘ) ৬ টা কৃত্ৰিম জলাশয়ৰ লগতে নতুন মেচিনাৰী তথা বাল্ক অৰু গ্ৰহক সেৱাৰ পদ্ধতি বহুওৱা।

৬) উপপ্ৰকল্পৰ নিৰ্মানকাৰ্য্য চৰকাৰৰ দ্বাৰা অধিগ্ৰহণ কৰা এলেকাত কৰাৰ ব্যৱস্থা কৰা হৈছে। কৃত্ৰিম জলাশয়ৰ নিৰ্মনকাৰ্য্যৰ বাবে প্ৰয়োজন হোৱা NOC অৰুআনুমতি পত্ৰ নিৰ্মানকাৰ্য্যৰ লগত জড়িত চৰকাৰী বিভাগৰ পৰা যোগান ধৰা হ'ব।

৭) নিৰ্মানকাৰ্য্যৰ বাবে প্ৰস্তাবিত এলেকাৰ পৰা উদ্ভৱ হ'ব পৰা নেতিবাচক ফলাফলসমূহ তলত দিয়া কাৰকৰ বাবে হ্ৰাস পাব বুলি উল্লেখ কৰা হৈছে -

ক) নিৰ্মানকাৰ্য্যৰ বাবে প্ৰয়োজনীয় সকলো সা-সুবিধা চৰকাৰী ভূমিত উপলব্ধ কৰাৰ ব্যৱস্থা কৰা হ'ব ।

৮) উপপ্ৰকল্প কাৰ্যকৰীকৰণৰ ফলত সৃষ্টি হোৱা পৰিৱেশ সংক্ৰান্তীয় প্ৰভাৱ সমূহ IEEৰ অৰ্ন্তভূক্ত তথা সম্বলিত কৰা হয়। নিৰ্মানকাৰ্যৰ সময়ছোৱাত উদ্ভৱ হোৱা প্ৰভাৱসমূহ মূলতঃ তলত দিয়া কাৰকসমূহৰ ফলাফল

ক) বুজন পৰিমানৰ বৰ্জিত মাটি নিষ্কাশিত আৰু পলসৰ বিন্যস্ত কৰাৰ প্ৰয়োজনীয়তা ।

খ) নিৰ্মানকাৰ্যৰ ফলত সাধাৰণ জনবসতি পূৰ্ণ অঞ্চল ব্যৱসায় পৰিবহন তথা বিভিন্ন ধৰণৰ গুৰুত্বপূৰ্ণ কাৰ্য্যালয়ৰ কাম-কাজত ব্যঘাত জন্মা।

৯)পাৰিপাৰ্শ্বিক উন্নয়নৰ বাবে গ্ৰহন কৰিব পৰা কাৰ্য্যব্যৱস্থা সমূহ সীমিত যদিও লক্ষণীয় পদক্ষেপ গ্ৰহন কৰা হব । উদাহৰণস্বৰূপে উক্ত প্ৰকল্পটোৰ আধাৰত

ক) প্ৰকল্পস্থলীৰ সমীপৰৰ্তী আবাসিক অঞ্চলৰ বাসিন্দা সকলক উক্ত প্ৰকল্পৰ লগত জড়িত কৰাৰ যোগেদি উপযুক্ত পৰিশ্ৰমিকৰ বিনিময়ত তেওঁলোকৰ নিয়োগৰ ব্যৱস্থা কৰি দিয়া হ'ব।

খ) নিৰ্মানকাৰ্য্যৰ লগত জড়িত সা-সুবিধা সমূহৰ অনুশাসন তথা পৰিচালনাৰ কামত দীৰ্ঘকালীন সময়ৰ বাবে নিয়োজিত ব্যক্তিসকল প্ৰকল্পস্থলীৰ সমীপৰৰ্তী অঞ্চলৰ হয় নে নহয় নিশ্চিত কৰা।

১০) EMP খন IEE ৰ এটা অংশ হিচাপে সামৰি লোৱা হৈছে যাৰ অন্তৰ্গত –

ক) নিৰ্মানকাৰ্য্যৰ ফলত সৃষ্টি হোৱা পাৰিপাৰ্শ্বিক প্ৰভাৱৰ ববে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহন কৰা।

খ)পৰিৱেশ পৰিদৰ্শনৰ বাবে লোৱা পদক্ষেপ তথা কাৰ্য্য-বিবৰণী।

গ)জনসাধাৰণৰ মতামত আৰু তথ্যৰ প্ৰকাশকৰণ।

ঘ) অভিযোগ সংশোধনী ব্যৱস্থা পৰিচালন কৰা।

১১) নিৰ্মানকাৰ্য্যৰ সময়ছোৱাত সৃষ্টি হোৱা লগত মোকোবিলা কৰিবলৈ পৰিৱেশ নিদৰ্শন আঁচনিৰ যোগেদি লবলগীয়া প্ৰতিৰোধমূলক ব্যৱস্থা সমূহ নিশ্চিত কৰা হয়। উক্ত ব্যৱস্থা সমূহৰ যোগেদি নিৰ্মানকৰ্মী সমূহৰ লগতে হিতাধিকাৰী সাক্ষাৎকাৰ লোৱা তথ্যৰ নিৰীক্ষন তথা নিৰ্মানস্থলীৰ পৰ্য্যবেক্ষন আদিৰ কাম কৰা হয়।

১২) IEE ৰ উন্নয়নৰ বাবে জনসাধৰণৰ মতামত তথা অংশীদাৰ সকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। ইয়াৰ যোগেদি IEE ৰ উন্নয়ন আৰু কাৰ্য্য-পৰিকল্পনাৰ বিষয়ে মত প্ৰকাশ কৰা হয়। প্ৰাৰম্ভিক পাৰিপাৰ্শ্বিক নিৰীক্ষণৰ সম্পূৰ্ণ কাৰ্য্যাৱলী তথা পদক্ষেপ সমূহ জনসাধাৰনৰ পৰিৱেশ উন্নয়ন সজাগতাৰ হকে প্ৰকল্পৰ তথ্যসম্বলি কাকত সমূহ বিভিন্ন ধৰনৰ চৰকাৰী কাৰ্য্যালয় সমূহত সহজতে উপলব্ধ হ'ব যাৰ জৰিয়তে সমাজৰ সকলো পৰ্য্যায়ৰ লোক এই আঁচনিৰ লগত জড়িত হ'ব পাৰিব। তাৰোপৰি উক্ত প্ৰকল্পৰ ইলেক্টনিক সংস্কৰণ এটা ADB ৰ চৰকাৰী ৱেবচাইটত প্ৰকাশিত হ'ব।

১৩) সেয়েহে প্ৰস্তাৱিত উপপ্ৰকল্পটোৱে তাৎপৰ্যপূৰ্ণ প্ৰতিকূল প্ৰভাৱ বিস্তাৰ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। উক্ত প্ৰকল্পটোৰ প্ৰাপ্তিৰ আধাৰত ইয়াক B শ্ৰেণীৰ প্ৰকল্প ইচাপে নিশ্চিত কৰা হোৱাৰ লগতে ADB SPS(2009) ৰ আধাৰত উক্ত প্ৰকল্পটোৰ কোনোধৰণৰ বিশেষ অধ্যয়ন আৰু পাৰিপাৰ্শ্বিক প্ৰভাৱৰ মূল্যাংকণৰ বিশদ আলোচনাৰ প্ৰয়োজনীয়তা নাই বুলি উল্লেখ কৰা হ'ল।